ক্বিয়ামত সেই সময়লৈকে সংঘটিত নহ'ব, যেতিয়ালৈকে কোনো ব্যক্তিয়ে আন এজন ব্যক্তিৰ কবৰৰ ওচৰেৰে যাওঁতে এই কথা কোৱাৰ পৰিৱেশ সৃষ্টি নহ'ব যে, হায়! ইয়াৰ স্থলত যদি মই হ'লোঁহেঁতেন।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ক্বিয়ামত সেই সময়লৈকে সংঘটিত নহ'ব, যেতিয়ালৈকে কোনো ব্যক্তিয়ে আন এজন ব্যক্তিৰ কবৰৰ ওচৰেৰে যাওঁতে এই কথা কোৱাৰ পৰিৱেশ সৃষ্টি নহ'ব যে, হায়! ইয়াৰ স্থলত
যদি মই হ'লোঁহেঁতেন।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, ক্বিয়ামত তেতিয়ালৈকে নহ'ব যেতিয়ালৈকে এনেকুৱা পৰিৱেশ সৃষ্টি নহ'ব যে, কোনো ব্যক্তিয়ে যেতিয়া কোনো কবৰৰ কাষেৰে যাব তেতিয়া সি আশা ব্যক্ত কৰি ক'বঃ এই কবৰত যদি মই থাকিলোঁহেঁতেন। এনেকৈ কোৱাৰ কাৰণ হৈছে, তেওঁ আশংকা কৰিব যে, যিদৰে বাতিল আৰু বাতিলপন্থীসকলে মূৰ দাঙিছে তথা ফিতনা প্ৰকাশ পাইছে, লগতে গুনাহ আৰু অশ্লীলতাৰ প্ৰৱণতা বৃদ্ধি পাইছে, অজানিতে মই ইয়াত লিপ্ত হৈ নিজৰ দ্বীনৰ পৰা বঞ্চিত হওঁ নেকি।

http://sunnah.global/hadeeth/as/show/65022